# 2023

## ASSAMESE

Paper : ASM-HG/RC-2016

**[ Asamiya Sahityar Itihas (Arambhanir Para Astadash Shatika Parjyanta) ]**

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থখনৰ লিখক কোন?

(খ) লোকসাহিত্যৰ 'লোক' শব্দটোৱে শাৰীৰিক শ্ৰমজীৱী সাধাৰণ জনগণক বুজায়। কথাষাৰ শুদ্ধনে?

(গ) 'আইনাম' কোন শ্ৰেণীৰ লোকগীত?

(ঘ) এটি আখ্যানগীত বা কাহিনীগীতৰ নাম লিখা।

(ঙ) 'প্ৰহ্লাদচৰিত' কাৰ ৰচনা?

(চ) শংকৰদেৱে কোনজন কবিক 'অপ্ৰমাদী' বুলি কৈছিল?

(ছ) জনশ্ৰুতি লোকসাহিত্য হয়নে?

(জ) মাধৱদেৱৰ মাকৰ নাম কি?

(ঝ) 'উষা পৰিণয়' কাৰ ৰচনা?

(ঞ) অনন্ত কন্দলীৰ দ্বাৰা ৰচিত এখন নাটৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) পাঁচালী সাহিত্যৰ প্ৰধান ভাগ দুটা কি কি?

(খ) ৰাম সৰস্বতীয়ে ৰচনা কৰা দুখন বধকাব্যৰ নাম লিখা।

(গ) শংকৰোত্তৰ কালৰ সাহিত্যৰ দুটা সাধাৰণ বৈশিষ্ট্য লিখা।

(ঘ) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি? তেওঁৰ গুৰু কোন আছিল?

(ঙ) গোপালচৰণ দ্বিজে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) চৰিতপুথি আৰু বুৰঞ্জীৰ গদ্যৰ পাৰ্থক্যবোৰ লিখা।

(খ) শংকৰোত্তৰ কালৰ ব্যৱহাৰিক অসমীয়া সাহিত্যৰ বিষয়ে লিখা।

(গ) আহোম ৰাজত্বকালৰ শৃংগাৰ ৰসাত্মক সাহিত্যৰ পৰিচয় দিয়া।

(ঘ) ৰঘুনাথ মহন্তৰ সাহিত্যকৃতিৰ পৰিচয় দিয়া।

(ঙ) বৰগীতৰ বৈশিষ্ট্যবোৰ লিখা।

(চ) নাট আৰু ঝুমুৰাৰ পাৰ্থক্য লিখা।





৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যৰ শ্ৰেণীবিভাজন কৰি প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) "ফকৰা যোজোনা পটন্তৰবোৰ দহৰ জ্ঞান, একৰ বাণী"— এই মন্তব্যটিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(গ) প্ৰাক্-শংকৰী যুগৰ যি কোনো দুগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ বিষয়ে লিখা।

(ঘ) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বুলিলে কোনসকল কবিক বুজা যায়? তেওঁলোকৰ যি কোনো এগৰাকীৰ বিষয়ে বিশদভাৱে আলোচনা কৰা।

(ঙ) "'নামঘোষা' মাধৱদেৱৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্ত্তি"—এই উক্তিৰ আধাৰত 'নামঘোষা'ৰ বিষয়ে আলোচনা কৰা।

(চ) ভট্টদেৱৰ গদ্যক আধুনিক অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন-ৰূপে গণ্য কৰা হয়। ভট্টদেৱৰ গদ্যৰ বিশেষত্ববোৰ লিখা।

(ছ) অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(জ) অসমীয়া চৰিতপুথিৰ বিষয়ে এটি নাতিদীৰ্ঘ নিবন্ধ লিখা।

★★★